নাছিলোঁ। আপোনাক লগ পাই ভাল লাগিল। আমাৰ 'আসৰ'ত বহিব। চিলেটৰ গান শুনাব লাগিব।" —কাকতিয়ে ক'লে।

"নিশ্চয়, মই ভালেই পাম। কিন্তু আজি গাব নোৱাৰিম। কাহ হৈ আছে।" —হেমাংগই বিনয়েৰে ক'লে।

"নাই নাই, আজি থাকক। পিছে ইয়াত দেখুৱাইছেনে?" কাকতিয়ে জানিব খুজিলে।

"হয়, ৰাতিপুৱা চিকিৎসালয়লৈ গৈছিলোঁ। ঔষধ দিছে।"

"হ'ব, সোনকালে ভাল পাব। ভাল পালে গাই শুনাব। এতিয়া ময়ে এটা জনপ্ৰিয় অসমীয়া আধুনিক গীত গাম।" কাকতিয়ে আৰম্ভ কৰিলে—"(কোনে) গছে গছে পাতি দিলে/ ফুলৰে শৰাই (ৰাম ৰাম) কলীয়া ভোমোৰা গুঞ্জৰি আহে/ গোন্ধকে ধিয়াই (ৰাম ৰাম)/ কোনে গোলাপী সখীক এনে হাঁহি দিলে/ ৰূপতে ৰঙে চৰাই/ ওৰণি তলতে পৰিমল ৰেণু/ উৰুৱাই পৰনে দিলে বিলাই।"

"বৰ সুন্দৰ গীত, ইমান শুৱলা। একেবাৰে মাটিৰ গোন্ধ থকা গান।" —হেমাংগই উচ্চ প্ৰশংসা কৰিলে।

"গীতটো কাৰ জানে?"—কাকতিয়ে সুধিলে।

"নাজানো, কওকচোন।"

"জ্যোতিপ্ৰসাদ আগৰৱালাৰ। তেখেতৰে 'শোণিত কুঁৱৰী' নাটকৰ গীত।"

"আগৰৱালাৰ সংগ্ৰামী গীতৰ কথা মোক চলিহাই কৈছিল। কিন্তু ইমান সুমধুৰ গীত প্ৰথম শুনিলোঁ।"

"হয়, তেখেতৰ সোণসেৰীয়া গীতসমূহৰ সুৰত আছে আশ্চৰ্য সন্মোহনী শক্তি। অসমৰ বিয়ানাম, আইনাম, বনগীত, বিহুগীতৰ আধাৰত তেখেতে আধুনিক গীতৰ সৃষ্টি কৰিছে। আগৰৱালাৰ গীতত প্ৰাচ্য আৰু পাশ্চাত্যৰ সুন্দৰ সমন্বয় ঘটিছে। ক'বলৈ গ'লে অসমীয়া আধুনিক গীতিধাৰালৈ বিপ্লৱ আনিছে।"

"বৰ প্ৰশংসনীয় কাম কৰিছে। তেখেতক লগ পোৱাৰ মোৰ প্ৰবল ইচ্ছা হৈছে।" —হেমাংগই আগ্ৰহ প্ৰকাশ কৰিলে।

"কেনেকৈ পাব। আমাৰ দৰে তেখেতো এতিয়া শিলচৰত কাৰাদণ্ড ভোগ কৰি আছে বুলি শুনিছোঁ। কাৰণ আমাৰ দৰে তেখেতো স্বাধীনতা সংগ্ৰামী।"

"এনেকুৱা শিল্পী মানুহকো কাৰাবন্দী কৰি ৰাখিব লাগেনে?"—হেমাংগই যেন বিশ্বাস কৰিব পৰা নাই।

"কি কৰিব, চৰকাৰৰ দৃষ্টিত আন্দোলনকাৰী, মানে অপৰাধী। শাস্তি পাবৰ যোগ্য।" —আনন্দিয়েও বিষাদেৰে ক'লে।

"এৰা, বিদেশী চৰকাৰৰ পৰা ইয়াতকৈ বেছি কি আশা কৰিব পাৰি?" —হেমাংগৰ কথাত বিতৃষ্ণৰ ভাব।

"কেৱল অসমতে নহয় সমগ্ৰ ভাৰতবৰ্ষতে হাজাৰ হাজাৰ লোকক কাৰাগাৰত আবদ্ধ কৰি ৰাখিছে। ইয়াত ছিলেটৰ বহু কাৰাবন্দী আছে।" —নিৰৱে কথা শুনি থকা মহেশে টপৰাই ক'লে।

"হয় নেকি? আমি পিছে-পৰে আন্দোলনৰ কথা পাতিম। আজি আগৰৱালাৰ আন এটা গীত শুনিবলৈ মন গৈছে। —হেমাংগই কাকতিক অনুৰোধ জনালে।

"তেনেহ'লে মই 'শোণিত কুঁৱৰী' নাটকৰ আন এটা গীত গাম।" কাকতিয়ে আৰম্ভ কৰিলে—

"বোৱা বোৱা দক্ষিণ মলয়া
তটিনী গোৱা
সমীৰণে আহি পৰাণ জুৰালে
আ ... হা ...।"

"সঁচাকৈয়ে গীতটোৱে পৰাণ জুৰালে। তালটো কি ক'ব পাৰিবনে?"—হেমাংগই সুধিলে।

"বোধকৰোঁ 'দাদৰা'ই হ'ব।" —কাকতিয়ে ক'লে।

"ইমান সুমধুৰ গীত। একেবাৰে ৰবীন্দ্ৰ সংগীতৰ দৰে।" —হেমাংগই দোহাৰিলে।

"আপুনি ৰবীন্দ্ৰ সংগীত জানে নহয়, আমাক কিন্তু গাই শুনাব লাগিব।" —আনন্দিয়ে উৎসাহেৰে ক'লে।

"নিশ্চয় শুনাম। ৰবীন্দ্ৰ সংগীত মই ভাল পাওঁ। স্কুলত পঢ়া সময়তে ৰবীন্দ্ৰ সংগীত গাইছোঁ। এবাৰ মই স্কুলত পুৰস্কাৰো পাইছোঁ। আমাৰ স্কুলৰ হেডমাষ্টৰ দ্বাৰিকা চক্ৰৱৰ্তী মহাশয়ে 'যদি তোৰ ডাক শুনে কেউ' গীতটো পৰিচালনা কৰিছিল। মই পৰিৱেশন কৰিছিলোঁ।"

"হয়নে? বৰ ভাল কথা। তেনেহ'লে আমি এজন ভাল সংগী পাইছোঁ। আমাৰ 'আসৰ'লৈ সদায় আহিব।"—মহেশে আন্তৰিকতাৰে আহ্বান জনালে।

"আহিম, আপোনালোকৰ সৈতে একেলগে গান গাম। মোক অসমীয়া গীত শিকাব; মই ৰবীন্দ্ৰ সংগীত শিকাম। এটা কথা আপোনালোকে হয়তো জানে যে ৰবীন্দ্ৰনাথ ঠাকুৰ এগৰাকী বিশ্ববিশ্ৰুত কবি, চিত্ৰকৰ, গীতিকাৰেই নহয় এগৰাকী প্ৰকৃত দেশপ্ৰেমিক। তেখেতে সদায় দেশবাসীৰ স্বাধীনতাৰ পক্ষত থিয় দি আহিছে। ৰজা পঞ্চম জৰ্জে প্ৰদান কৰা 'নাইটহুড' উপাধি ১৯১৯ চনৰ জালিয়ানৱালাবাগৰ গণহত্যাৰ পাছত ওভতাই দিছিল।"

"হয়, সেই কথা শুনিছিলোঁ।" —কাকতিয়ে ক'লে।

"সেই বছৰতে তেখেত পোন প্ৰথমবাৰৰ বাবে চিলেটলৈকো গৈছিল। মই তেতিয়া সৰু। পাছত শুনিছিলোঁ তেখেতৰ সভাত হেনো পাঁচ হাজাৰতকৈ অধিক মানুহৰ সমাৱেশ ঘটিছিল। ৰবীন্দ্ৰনাথ ঠাকুৰে এতিয়ালৈকে প্ৰায় ডেৰকুৰিখন দেশ ভ্ৰমণ কৰিছে। দুবছৰমান আগতে তেখেত ছোভিয়েট ৰাছিয়ালৈকো গৈছিল। তেখেতৰ 'ৰাছিয়াৰ চিঠি' ধাৰাবাহিকভাৱে 'প্ৰবাসী'ত প্ৰকাশ হৈছে। সেইবোৰ পঢ়ি বৰ ভাল লাগে। ৰবীন্দ্ৰনাথৰ দৰে সাহিত্যিক প্ৰকাশ্যে ৰাজনীতিত জড়িত হৈ পৰা কাৰণে বহুতে বিৰূপ সমালোচনাও কৰে। মই কিন্তু ৰবীন্দ্ৰনাথক সমৰ্থন জনাওঁ।"

"ব্ৰিটিছবিৰোধী সংগ্ৰামত সহায় কৰা সকলোকে আমি সন্মান জনাবই লাগিব।"—আনন্দিয়ে মত প্ৰকাশ কৰিলে।

হেমাংগহঁতৰ আলোচনা চলি থাকোঁতেই সন্ধিয়াৰ ঘণ্টা বাজিল। বেলিটোৱে তেতিয়া দিনটোৰ পৰিক্ৰমা শেষ কৰি নিশাৰ গৰ্ভত বিলীন হ'বলৈ যোজা চলাইছে। কাকতিয়ে ক'লে—"বিশ্বাস ব'লক, মাথা গণ্তিৰ সময় হ'ল। বাহিৰত শাৰী পাতিব লাগিব। এইটো কাৰাগাৰৰ নিয়ম। পাছত আকৌ লগ হ'ম। ইয়াত আছোঁ যেতিয়া সদায় পায়েই থাকিম। আপোনাৰ সৈতে পৰিচয় হৈ কিন্তু সঁচাকৈয়ে ভাল লাগিল।"

কুঠৰিৰ পৰা আটাইকেইজন খৰখেদাকৈ ওলাই আহিল। বাহিৰত ইতিমধ্যে কয়দীবোৰে শাৰী পাতিবলৈ আৰম্ভ কৰিছে।

নগাঁৱৰ কাৰাগাৰৰ পৰিৱেশতকৈ ইয়াৰ পৰিৱেশটো হেমাংগৰ বেছি ভাল লাগিল। তাৰ তুলনাত কিছু জীৱন্ত, সা-সুবিধাও বহুখিনি উন্নত। ৰাতিপুৱাৰ ৰ'দছাটি গাত পেলাই চৌহদৰ চাৰিওফালে ঘূৰি ফুৰোঁতে এজোপা লিচুগছৰ তলত দুজন বাংলা ভাষীয়ে কথা পতা শুনি হেমাংগ ওচৰ চাপি আহিল। নিজৰ পৰিচয় দি হেমাংগই ক'লে—

"আমি হেমাংগ বিশ্বাস। চিলেট থেকে এছেসি।"

"তাই নাকি? আমি শৰবিন্দু দে। অনেকে বুলিদা বুলেও ডাকে। ওৰ নাম অমলেন্দু ঘোষ।"

"আপনাদেৰ পৰিচয় দেওয়াৰ জন্যে ধন্যবাদ।"—হেমাংগই সৌজন্য দেখুৱালে।

"হবে, হবে, কিন্তু ব্যাপাৰটা কি?"

"আন্দোলনে জড়িত ছিলাম।"

"সেটা আমি বুজতে পেৰেছি। তবে আৰ চিন্তা নেই। আমৰা চবাই একে পথেৰ যাত্ৰী।" —শৰবিন্দুৱে আঁকোৱালি ধৰি কুঠৰিলৈ লৈ গ'ল।

হেমাংগৰ শৰবিন্দুক বৰ খোলা মনৰ, আড্ডাবাজ যেন লাগিল। নিচেই কম সময়তে হেমাংগক আপোন কৰি ল'লে। হেমাংগৰো শৰবিন্দুক বৰ ভাল লাগিল। শৰবিন্দুৰ দবা খেলাৰ নিচা। সেয়ে হেমাংগকো দবা খেলাৰ সংগী কৰি ল'লে। শৰবিন্দুৱে বেয়া পাব বুলিয়েই হেমাংগ খেলাত বহিল। খেলাৰ মাজে মাজে শৰবিন্দুৱে কাৰাগাৰৰ ভিতৰ চ'ৰাৰ কথাবোৰ কৈ গ'ল। শৰবিন্দু পাকৈত খেলুৱৈ।